# স্পষ্টীকৰণ

যোৱা ইং ২০-০৮-২০১৫ তাৰিখে “আমি অসমৰ জনগণ” কাকতত প্ৰকাশিত “আৰক্ষীৰ পৃষ্ঠপোষকতাতেই গো-ধনৰ অবাধ বেহা” শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণত কোৱা হৈছে যে, “ষ্টপ কৰাপচন” নামৰ এটা বেচৰকাৰী সংস্থাৰ সহযোগত যোৱাবাটৰ পৰা আৰক্ষীয়ে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত ৪১ টা গৰু সহ মুঠ ৯ খন গাড়ী জব্দ কৰে। এই সংক্ৰান্তত সংস্থাটোৰ তৰফৰ পৰা কৃষ্ণ কুমাৰ নাথে বশিষ্ঠ থানাত এখন এজাহাৰ দাখিল কৰে আৰু সেই মৰ্মে বশিষ্ঠ থানাত গোচৰ নং 967/15 u/s 379 R/W 12 Prevention of cruelty to the Animals Act ৰুজু কৰা হয়। উক্ত গোচৰ সন্দৰ্ভত আইনমতে বিহিত ব্যৱস্থা লোৱা হয় আৰু উক্ত যান-বাহনসমূহ গো-ধনসহ জিলা পৰিবহন বিষয়াৰ কাৰ্য্যালয়ৰ এনফ'চমেণ্ট শাখাক চমজাই দিয়া হয়। উল্লেখ্য যে নমাইলৰ সাপ্তাহিক গৰু বজাৰখন মেঘালয়ত অৱস্থিত আৰু উক্ত বজাৰত সাধাৰণতে মেঘালয়ৰ লোকে গৰু কিনা-বেচা কৰে। উল্লেখ থাকে যে নমাইল গৰু বজাৰত কোনো ব্যৱসায়ী অথবা কোনো গাড়ীৰ পৰা আৰক্ষীয়ে উৎকোচ লোৱাৰ কোনোধৰণৰ অভিযোগ এই পৰ্যন্ত আৰক্ষীৰ হাতত নাই। এই সম্বন্ধে তথ্যসহকাৰে কোনো অভিযোগ পালে আইনগতভাৱে বিহিত ব্যৱস্থা লোৱা হ'ব। উক্ত বজাৰৰ পৰা বাংলাদেশলৈ গৰু প্ৰেৰণ কৰাৰ কোনো সঠিক তথ্য এই পৰ্যন্ত আৰক্ষীৰ হাতত নাই। উক্ত বাতৰি সংক্ৰান্তত উপ-আৰক্ষী আয়ুক্ত (পূব)ক তদন্ত কৰি এক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে আৰু এই তদন্তৰ ভিত্তিত বিহিত ব্যৱস্থা লোৱা হ'ব।

21/08/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ১৯-০৮-২০১৫ তাৰিখে "আমি অসমৰ জনগণ" কাকতত প্ৰকাশিত "ড্ৰাগছৰ মুকলি ব্যৱসায়ত ধুবুৰী আৰক্ষী" শীৰ্ষক বাতৰিটো ধুবুৰী আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত অধীক্ষকগৰাকীয়ে কয় যে, বাতৰিটোত প্ৰকাশিত হোৱাৰ দৰে ড্ৰাগছৰ মুকলি ব্যৱসায়ত ধুবুৰী আৰক্ষী বুলি অনা অভিযোগ মুঠেই সত্য নহয় আৰু ভিত্তিহীন। বৰ্তমানলৈকে ধুবুৰীত ড্ৰাগছ ব্যৱসায় চলি থকাৰ কোনো ঘটনা নিৰ্দিষ্টকৈ ধুবুৰী আৰক্ষীৰ দৃষ্টিগোচৰ হোৱা নাই আৰু আৰক্ষীয়ে কোনো ড্ৰাগছ ব্যৱসায়ীক প্ৰশ্ৰয়ো দিয়া নাই। এই সংক্ৰান্তত অভিযোগ পালে অভিযুক্তৰ বিৰুদ্ধে আইনগত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। সমগ্ৰ জিলাখনত যিকোনোধৰণ অসামাজিক কাৰ্য্যকলাপৰ বিৰুদ্ধে আৰক্ষীয়ে সদায়েই দৃঢ় পদক্ষেপ গ্ৰহণ কৰি আহিছে আৰু এই ক্ষেত্ৰত চোকা দৃষ্টি ৰাখি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ধুবুৰী জিলাৰ সকলোবোৰ আৰক্ষী থানাক ইতিমধ্যেই নিৰ্দেশ দিয়া হৈছে।

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ২০-০৮-২০১৫ তাৰিখে "অসমীয়া খবৰ" কাকতত প্ৰকাশিত "চোৰৰ পলায়ন" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণত কোৱা হৈছে যে, যোৱা ইং ১৮-০৮-২০১৫ তাৰিখে নিশা প্ৰায় ৯-৩০ বজাত কেন্দ্ৰীয় জেইলৰ ওচৰৰ নিবাসী প্ৰাঞ্জল ডেকাই এখন লিখিত আবেদন দি জনায় যে তেওঁৰ এটা মোবাইল ফোন দুজন অচিনাক্ত যুৱকে বলপূৰ্বকভাৱে কাঢ়ি লৈ যায় আৰু তেওঁ ৰাইজৰ সহযোগত এজনক খেদি খেদি বিতু দাস ওৰফে ৰাহুল দাস (গাঁও- লালুং, থানা- গড়চুক)ক কৰায়ত্ব কৰে আৰু গড়চুক থানাত চমজাই দিয়ে। এই সন্দৰ্ভত গড়চুক থানাই 392/15 u/s 392 IPC ৰুজু কৰে আৰু বিতু দাস গুৰুতৰভাৱে আহত হোৱা হেতু লগে লগে তেওঁক GMCH ত চিকিৎসাৰ বাবে প্ৰেৰণ কৰে আৰু প্ৰায় ১১-১৫ বজাত চিকিৎসা কৰি ঘূৰাই আনে। নিশা বিতু দাস পুনৰ অসুস্থ হোৱা বাবে সহকাৰী উপ-পৰিদৰ্শক গোপাল দেৱ শৰ্মা, মুখ্য আৰক্ষী জয় গোবিন্দ সিং, কনিষ্টবল ৰাকেশ শৰ্মা আৰু গৃহৰক্ষী হৰেন নাথক বিতু দাসৰ সৈতে নিশা প্ৰায় ১-০০ বজাত চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। নিশা উক্ত বিতু দাসে চিকিৎসালয়ৰ পৰা পলায়ন কৰে আৰু এই সন্দৰ্ভত ভঙাগড় থানাত গোচৰ নং 116/15 u/s 224 IPC ৰুজু কৰা হয়। উক্ত আৰক্ষী দলটোক ইতিমধ্যে আৰক্ষী চাউনীলৈ অনা হৈছে। এই সন্দৰ্ভত ঘটনাটো অনুসন্ধান কৰি উপ-আৰক্ষী আয়ুক্ত (পশ্চিম)ক এখন প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।


মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া

অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,

উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ২০-০৮-২০১৫ তাৰিখে "দৈনিক অসম" কাকতত প্ৰকাশিত "নিৰ্বিকাৰ আৰক্ষী, মৃত্যুৰে যুঁজিছে বোমা বিস্ফোৰণত আহত কিৰণে" শীৰ্ষক বাতৰিটো ধেমাজি আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত অধীক্ষকগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে, বাতৰিটোত আৰক্ষীৰ বিৰুদ্ধে অনা অভিযোগ মুঠেই সত্য নহয়। যোৱা ইং ১৯-০৮-২০১৫ তাৰিখে পুৱা প্ৰায় ৯-১৫ বজাত চিলাপথাৰ থানাৰ অন্তৰ্গত কপাহতলী লালুং গাঁৱৰ এজন কিশোৰ শ্ৰীপানী ৰেলৱে ষ্টেচনৰ পৰা প্ৰায় ১ কিঃমিঃ আঁতৰত ৰেল লাইনৰ দাঁতিৰ ওচৰত কোনো সামগ্ৰীৰ বিস্ফোৰণত আহত বুলি খবৰ লাভ কৰাত চিচিবৰগাঁও আৰক্ষী চকীৰ আৰক্ষীয়ে ঘটনাস্থলী তন্ন-তন্নকৈ পৰীক্ষা কৰে যদিও কোনো সন্দেহজনক সামগ্ৰী উদ্ধাৰ নহ'ল। আৰক্ষীয়ে আহত কিৰণ আৰু তেওঁৰ পৰিয়ালবৰ্গক ঘটনা সম্পৰ্কে সোধ-পোচ কৰি জানিব পাৰে যে যোৱা ইং ১৮-০৮-২০১৫ তাৰিখে পুৱা প্ৰায় ৬-৩০ বজাত কিৰণে গৰু চৰাবলৈ গৈ ৰেলৰ আলীৰ দাঁতিত পৰি থকা আঙুলিৰ দৰে এটা সৰু বস্তু লক্ষ্য কৰে আৰু কৌতুহলবশতঃ কিৰণে সেইটো শিলেৰে ভাঙিবলৈ চেষ্টা কৰাত বিস্ফোৰিত হয় আৰু তেওঁৰ বাওঁহাত, বাঁওহাতৰ আঙুলি আৰু সোঁভৰিত সামান্যভাৱে আঘাত হয়। লগে লগে তেওঁক পৰিয়ালবৰ্গই ধেমাজি অসামৰিক চিকিৎসালয়ত ভৰ্ত্তি কৰায়। ধেমাজি অসামৰিক চিকিৎসালয়ৰ অধীক্ষক জে. উপাধ্যায় আৰু চিকিৎসক বিজু বৰুৱাৰ বক্তব্য অনুসৰি কিৰণৰ দেহত কোনোধৰণৰ ধাতুৰ স্প্লিন্টাৰ পোৱা হোৱা নাছিল আৰু আঘাতো বিশেষ গুৰুতৰ নোহোৱাত প্ৰয়োজনীয় চিকিৎসা সম্পূৰ্ণ হোৱাৰ পিছত কালি অৰ্থাৎ ইং ২০-০৮-২০১৫ তাৰিখে তেওঁক ঘৰলৈ যাবলৈ দিয়া হয়। আৰক্ষীয়ে বিস্ফোৰণ হোৱা সামগ্ৰীটোৰ এটা ক্ষুদ্ৰ টুকুৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয় আৰু পৰীক্ষাৰ পৰা জানিব পৰা গৈছে যে উক্ত সামগ্ৰী শিল ভঙা কুৱেৰীত ব্যৱহৃত অতি কম পৰিমাণৰ বিস্ফোৰকযুক্ত ডেটনেটৰ, যিটো শিলৰ কুৱেৰীৰ পৰা আহি সম্ভৱত শিলৰ সৈতে ৰেল আলীৰ দাঁতিত পৰি আছিল। এই সামগ্ৰী কোনোপধ্যেই কোনোধৰণৰ বোমা হ'ব নোৱাৰে আৰু আৰক্ষীয়ে কোনোধৰণৰ কূটাঘাটমূলক গতিবিধিৰ সম্ভেদ বৰ্তমানলৈকে লাভ কৰা নাই।

Oh ... 21/8/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া<br>
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,<br>
উলুবাৰী, গুৱাহাটী